...ী অনুসৰি
...জিৰ
...২৮°,
...১৬°
...ময় ৫.৫১
...৩২ বজা।


নিয়মীয়া বাৰ্তা

☐ ২৮ নৱেম্বৰ ২০২৩ চন ☐ VOL-13 ☐ NO-262 ☐ TUESDAY 28 NOVEMBER 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH...


### শ্ৰুতি শিল্পী সমাজৰ উদ্যোগত মানুহে মানুহৰ বাবে অনুষ্ঠান

# দুই ডিচেম্বৰত বিশিষ্ট চিকিৎসক ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মীক আগবঢ়াব মানৱতাৰ বঁটা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৭ নৱেম্বৰ ঃ** বিশিষ্ট চিকিৎসক ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মীলৈ 'মানৱতাৰ বঁটা', মাৰোৱাৰী যুৱ মঞ্চ ডিব্ৰুগড়লৈ 'মানৱ সেৱাৰ বঁটা' আৰু বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী ড° ৰঞ্জিত কুমাৰ বৰুৱালৈ 'জীৱনজোৰা সাধনা' বঁটা প্ৰদান কৰিব উজনি অসমৰ অন্যতম সামাজিক সাংস্কৃতিক অনুষ্ঠান 'শ্ৰুতি শিল্পী সমাজ' ডিব্ৰুগড়ে। ভাৰত ৰত্ন, সংগীতসূৰ্য, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দ্বাদশ মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি 'মানুহে মানুহৰ বাবে' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠানৰ লগতে সমাজলৈ আগবঢ়োৱা অনবদ্য তথা নিঃস্বাৰ্থ সেৱাৰ বাবে দুগৰাকী বৰেণ্য ব্যক্তি আৰু এক সমাজ সেৱী সংস্থাক এই বিশেষ বঁটা প্ৰদান কৰিব। অহা ২ ডিচেম্বৰৰ আবেলি কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত শ্ৰুতি শিল্পী সমাজ ডিব্ৰুগড়ৰ উদ্যোগত আৰু ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হ'ব লগা 'মানুহে মানুহৰ বাবে' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব বুলি সভাপতি ডাঃ নৱজ্যোতি গগৈ আৰু সম্পাদক চন্দন পাঠকে জানিবলৈ দিছে। উল্লেখ্য যে, সুদক্ষ নিউৰ'চাৰ্জন ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মীয়ে ভাৰতবৰ্ষৰ এক আগশাৰীৰ চিকিৎসালয়ৰ পৰা লোভনীয় চাকৰি ইস্তাফা দি নিজৰ সমাজৰ লোকক সেৱা আগবঢ়াবলৈ অসম চিকিৎসা মহাবিদ্যালয়ত যোগদান কৰি আৰ্ত আৰু দৰিদ্ৰসকলৰ চিকিৎসা সেৱাত ব্ৰতী হৈ সু-চিকিৎসাৰে অজস্ৰজনক নতুন জীৱন দিবলৈ অহোপুৰুষাৰ্থ কৰিছে। আনহাতে, যোৰহাটৰ ড° ৰঞ্জিত কুমাৰ বৰুৱাই কৃষি বিষয়ত উচ্চ শিক্ষা গ্ৰহণ কৰি পি এইচ ডি লোৱাৰ পাছত অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা জ্যেষ্ঠ সম্প্ৰসাৰণ বিশেষজ্ঞ ৰূপে অৱসৰ গ্ৰহণ কৰাৰ উপৰি এগৰাকী অতি দক্ষ আৰু নিপুণ চিত্ৰ-ভাস্কৰ্য শিল্পী। শেহতীয়াকৈ মহাপুৰুষ গুৰুজনাৰ অমৰ সৃষ্টি বৃন্দাবনী বস্ত্ৰ পুনৰ ন ৰূপত শুদ্ধ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত প্ৰস্তুত কৰি অসমবাসী ৰাইজৰ মাজত নিবেদন কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেওঁ ২০১৪তে কোচবিহাৰৰ মধুপুৰ সত্ৰত মহাপুৰুষজনাৰ ৮ ফুট দৈৰ্ঘ্যৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠা কৰাৰ উপৰি তেওঁৰ প্ৰস্তুত কৰা ভাস্কৰ্য শিল্পসমূহে সকলোকে আপ্লুত আৰু মন্ত্ৰমুগ্ধ কৰিবলৈ সক্ষম হয়। আনহাতে, ক'ভিড মহামাৰীৰ দুৰ্বিষহ পৰিস্থিতিত মানৱ জীৱনলৈ অক্লান্ত, নিঃস্বাৰ্থ আৰু অভূতপূৰ্ব সেৱা আগবঢ়াই ডিব্ৰুগড় মাৰোৱাৰী যুৱ মঞ্চই মানৱ সেৱাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। তদুপৰি বিভিন্ন সময়ত জনহিতৈষী সামাজিক, সাংস্কৃতিক আৰু স্বাস্থ্য সেৱাৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণেৰে জনসাধাৰণৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈ আহিছে। এই দুয়োগৰাকী বৰেণ্য ব্যক্তিৰ লগতে সমাজসেৱী সংস্থালৈ বঁটা প্ৰদান কৰিব লগা অনুষ্ঠানৰ লগতে সংগতি ৰাখি বিশিষ্ট কবি তথা চিকিৎসক ডাঃ প্ৰণয় ফুকনৰ সম্পাদনাত 'ইন্দ্ৰাণী' শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰিব বুলি উদ্যোক্তাসকলে জনোৱাৰ লগতে কাৰ্যসূচীত প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়া, আকাশবাণী ডিব্ৰুগড় বিষয়া লোহিত ডেকাকে প্ৰমুখ্য কৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকিব বুলি জনাইছে। উক্ত দিনাৰ কাৰ্যসূচীত উপস্থিত থাকি সাফল্যমণ্ডিত কৰিবলৈ সকলোৰে প্ৰতি অনুৰোধ জনাইছে উদ্যোক্তাসকলে।

### ড° ৰঞ্জিত কুমাৰ বৰুৱাক জীৱনজোৰা সাধনা-মাৰোৱাৰী যুৱ মঞ্চক মানৱ সেৱাৰ সন্মান

আজিৰ
বতৰ বাৰ্তা

□ ত্ৰয়োদশ বছৰ □ সংখ্যা ২৬২ □ মঙ্গল

HONDA



ৰাস মহোৎসৱৰ মাজতে
মতলীয়া ৰাজ্যৰ ক্ৰীড়া

# আজি গুৱাহা
# মুখামুখি হ'ব 
# অষ্ট্ৰেলিয়

গুৱাহাটীতে নিৰ্ণয় হ'ব পাৰে
ফলাফল ঃ অসম ভূমিত উপস্থিত দুয়ে

ষ্টাফ ৰিপৰ্টাৰ, ২৭ নৱেম্বৰ ঃ সত্ৰনগৰী মাজুলী, নল
শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি
ক্ৰিকেট অনুৰাগী আক্ৰান্ত হৈছে ভাৰত-অষ্ট্ৰেলিয়াৰ তি
টি-২০ শৃংখলাৰ এখন গুৰুত্বপূৰ্ণ মেচত অৱতীৰ্ণ হ'ব

শিক্ষকৰ আহ্বানক গুৰুত্বহী

# বিনাচৰ্তে নি
# দাবীত অটল ঠি

এনপিএছ কৰ্মচাৰী
সংস্থাৰ অভিবৰ্তন

## পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ পৰ্বতনৰ দাবী

পৰ্টাৰ, ২৭ নৱেম্বৰ ঃ

ষ্টাফ ৰিপৰ্টাৰ,
ডাঃ ৰণোজ পে
ঠিকাভিত্তিক শি
চাকৰি নিয়মীয়া